অসম আদিত্য

১৯ চ'ত, ১৯৪৬ শক ■ বুধবাৰ, ২ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Wednesday, April 2, 2025

# কানৈত জিলা পৰ্যায়ৰ যুৱ সংসদত নেপোলিয়ন বিজয়ী



**ষ্টাফ ৰিপৰ্টাৰ, ১ এপ্ৰিল ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অসম চৰকাৰৰ সংসদীয় পৰিক্ৰমা বিভাগ আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত নৱম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংসদীয় প্ৰক্ৰিয়াৰ প্ৰতি যুৱ প্ৰজন্মক আকৰ্ষিত কৰিব পৰাকৈ এক জিলা পৰ্যায়ৰ যুৱ সংসদ প্ৰতিযোগিতা ২৮ মাৰ্চত অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানটিৰ উদ্বোধনী অনুষ্ঠানৰ সভাপতিত্ব কৰে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। জিলা পৰ্যায়ৰ যুৱ সংসদ কাৰ্যসূচীৰ আঁত ধৰি ড° বিৰাজ দত্তই অসম চৰকাৰে গ্ৰহণ কৰা উক্ত কাৰ্যসূচীক অতি যুক্তি সংগত আৰু যুৱ প্ৰজন্মক আকৰ্ষিত কৰিব পৰা এক কাৰ্যসসূচী বুলি মন্তব্য কৰি অসম চৰকাৰক এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উদ্বোধনী ভাষণ প্ৰসংগত উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে মত প্ৰকাশ কৰে যে ভাৰত চৰকাৰ আৰু অসম চৰকাৰ দুয়োখন চৰকাৰে যুৱ প্ৰজন্মক সংসদীয় কাৰ্যক্ৰমণিকা আৰু যুৱ প্ৰজন্মক সমাজৰ উন্নয়নৰ পৰিকল্পনা কৰিব পৰাকৈ এক পৰিৱেশ সৃষ্টি কৰি সকলোৰে মাজত যুৱ সংসদ কাৰ্যসূচীটোক ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰি আহিছে। এই ক্ষেত্ৰত অসম চৰকাৰে পৃথককৈ এনে কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে এনে কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজ্যিক বিধানসভা অথবা ৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতবৰ্ষৰ কেন্দ্ৰীয় সংসদত উপস্থিত থাকি সকলোৰে আগত নিজৰ মতামত দাঙি ধৰি দক্ষ নেতৃত্বৰ গৰাকী হ'ব পাৰে। এনে কাৰ্যসূচীত আৰু অধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে পৰৱৰ্তী সময়ত উপযুক্ত নেতাৰ সৃষ্টি কৰিব বুলি মত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানটিত অধ্যক্ষৰ দায়িত্ব সমাপন কৰে ডিব্ৰু মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুমা ফুকনে। বিচাৰক হিচাপে উপস্থিত থাকে নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা তাপতী সিন্‌হা, জ্যেষ্ঠ অধিবক্তা অৰূপ ফুকন আৰু অধিবক্তা সুদেৱ গোস্বামীয়ে। উক্ত অনুষ্ঠানটিতমহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, পৰীক্ষাসমূহৰ সমন্বয়ক ড° মৃদুল শৰ্মা, ছাত্ৰ সম্পৰ্কসমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহাল, অসম সৰ্বশিক্ষা মিছন, ডিব্ৰুগড় জিলাৰ ডি পি অ' (এছছপি) জোনালী কটকী, অধ্যাপকশিৱনাথ চুতীয়া, নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ অধ্যাপক দুৰ্লভ বৰা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উক্ত অনুষ্ঠানটিত প্ৰথম পুৰস্কাৰ লাভ কৰে ডিব্ৰুগড় চেণ্টজেভিয়াৰ্ছ উচ্চ ইংৰাজী বিদ্যালয়ৰ নেপোলিয়ন সোনোৱালে, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ডিব্ৰুগড় চেণ্ট মেৰিজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহিমা লাকৰা আৰু ফিন্টয়ী ৱাংনাৱে, চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰে ডিব্ৰুগড় চেণ্টজেভিয়াৰছ উচ্চ ইংৰাজী বিদ্যালয়ৰ এঞ্জেলীনা মিলি আৰু পৰাণ পল্লভ গগৈয়ে। বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক একোখন ফুলাম গামোচা, মান-পত্ৰ আৰু একোটা স্মাৰকেৰে পুৰস্কৃত কৰা হয়। উক্ত অনুষ্ঠানটিত ডিব্ৰুগড় চহৰৰ দহখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক ড° বিৰাজ দত্তই।